# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-03-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মণিপুৰৰ নিৰাপত্তা ব্যৱস্থাক লৈ নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীশ্বাহে অহা ৮ মাৰ্চৰ ভিতৰত ৰাজ্যখনৰ সকলো পথত জনসাধাৰণৰ বাধাহীনভাৱে আহ-যাহ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ উপৰি মুক্ত আহ-যাহত বাধাৰ সৃষ্টি কৰা সকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। তেওঁ বৈঠকত মণিপুৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগতে সীমান্ত প্ৰৱেশ পথৰ দুয়োফালে বেৰ নিৰ্মাণৰো নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে কয়, যে মণিপুৰত শান্তি ঘূৰাই আনিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণক প্ৰয়োজনীয় সকলো সহায় আগবঢ়াব বুলি তেওঁ মন্তব্য কৰে। মণিপুৰক মাদক দ্ৰব্যমুক্ত কৰাৰ বাবে নিচাজাতীয় সামগ্ৰীৰ নেটৱৰ্ক সম্পূৰ্ণৰূপে উৎখাত কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, গৃহ সচিব গোবিন্দ মোহনৰ লগতে চোৰাংচোৱা সংস্থাৰ শীৰ্ষ বিষয়াসকল এই বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শাসন বলৱৎ হোৱাৰ পাছত এয়া মণিপুৰত প্ৰথমখন উচ্চস্তৰীয় বৈঠক।

০০০০০

কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ'ব। কেন্দ্ৰীয় হিলাল সমিতি অসমেও কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, কালি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত, আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰমজান মাহ আৰম্ভ হ'ব। হিলাল সমিতিৰ তথ্য অনুসৰি কাইলৈ প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ  বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হৈছে। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য। গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

আজি সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকসকলে তাৰাবিহ নামাজ কৰিছে। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

ooooo

ধেমাজিৰ আৰ্থসামাজিক সংস্থা ভোগজৰাই আজি জোনাইৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী বগাৰাম দেউৰীক জীয়াঢল উপত্যকা বঁটা প্ৰদান কৰে। জিলাখনৰ মাছখোৱা নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সাংস্কৃতিক কৰ্মীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত ধেমাজিৰ বৰদলনিৰ বি এফ চি প্ৰাথমিক বিদ্যালয়ক বৈষ্ণৱ পণ্ডিত, শিক্ষাবিদ বনমালী দেৱগোস্বামী সোঁৱৰণী অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ বিশেষ বঁটা আগবঢ়োৱা হয়। একেদৰে বঙাইগাঁও, অভয়াপুৰীৰ সাংবাদিক দিম্পীমণি শৰ্মাক অনিৰ্বান বি গোহাঁই সোঁৱৰণী বঁটা আগবঢ়োৱা হয়। এই অনুষ্ঠানত নতুন চিন্তা নামৰ এখন আলোচনী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে উন্মোচন কৰে। আজিৰ অনুষ্ঠানত চীনৰ চাংহাই বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ইন্দুকল্প দিহিঙীয়া, কিৰণ বন দেউৰী, দুলাল বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশ লয়।

ooooo

জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে আজি ধেমাজীৰ তেলিজান আন্তঃজিলা বাছআস্থান চৌহদত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জৰুৰীকালীন সেৱাৰ কৰ্মীসকলৰ কৰণীয় সন্দৰ্ভত অনুশীলন কাৰ্যসূচী অনুষ্ঠিত কৰে। অনুশীলনত দুৰ্যোগ প্ৰশমন বিভাগৰ সৈতে জড়িত কৰ্মীসকলে ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত গ্ৰহণ কৰিবলগীয়া কাৰ্যৱলী প্ৰদৰ্শন কৰে। জৰুৰীকালীন সেৱাৰ কৰ্মীসকলে আৰ্তজনক কেনেকৈ উদ্ধাৰ কৰে সেই সম্পৰ্কে ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ooooo

কাছাৰ জিলাৰ উদাৰবন্দৰ শিবেৰবন্দত যোৱানিশা সুব্ৰত দত্ত নামৰ এজন লোকৰ বাসগৃহত ডকাইতিৰ ঘটনা সংঘটিত হয়। অঞ্চলটোৰ গুৱাবাৰী পথৰ সমীপত থকা দত্তৰ বাসগৃহত যোৱানিশা প্ৰায় আঢ়ৈ বজাত পাঁচজনীয়া ডকাইতৰ এটা দলে অস্ত্ৰ-শস্ত্ৰসহ প্ৰৱেশ কৰি সোণৰ গহনা আৰু নগদ ধনৰ লগতে অন্যান্য সামগ্ৰী কাঢ়ি লৈ যায়। ঘটনাৰ তথ্য লাভ কৰাৰ লগে লগে উদাৰবন্দ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু কুম্ভীৰগ্ৰামৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে যদিও এতিয়ালৈ কোনো লোকক কৰায়ত্ব কৰিব পৰা হোৱা নাই।

ooooo

ধেমাজিৰ সত্ৰ বুক ষ্টলৰ স্বত্তাধিকাৰী ডালিম দাসৰ আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬১ বছৰ। সৰবৰহী দাসৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত